**2023**

# POLITICAL SCIENCE

( Honours Elective )

Paper : POL–HE–6016

**( Human Rights in India )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

**1.** Answer the following as directed : 1×10=10

তলত দিয়াবোৰৰ নিৰ্দেশানুযায়ী উত্তৰ দিয়া :

*(a)* Cite an example from the Vedas which reflects the existence of Human Rights during that period.

বেদৰ পৰা এটা উদাহৰণ দিয়া, যিটোৱে সেই সময়ত মানৱ অধিকাৰৰ অস্তিত্বক প্ৰতিফলিত কৰে।

*(b)* Which Article of the Constitution of India declares Right to Education as a Fundamental Right?

ভাৰতীয় সংবিধানৰ কোনটো অনুচ্ছেদে শিক্ষাৰ অধিকাৰক মৌলিক অধিকাৰ বুলি ঘোষণা কৰিছে?

*(c)* When was the National Commission for Women established?

ৰাষ্ট্ৰীয় মহিলা আয়োগ কেতিয়া গঠন কৰা হৈছিল ?

*(d)* Who appoints the Chairman of the National Human Rights Commission of India?

ভাৰতৰ ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগৰ অধ্যক্ষক কোনে নিযুক্তি দিয়ে ?

*(e)* Assam Human Rights Commission was constituted in the year

অসম মানৱ অধিকাৰ আয়োগ গঠন কৰা হৈছিল

*(i)* 1994

১৯৯৪ চনত

*(ii)* 1995

১৯৯৫ চনত

*(iii)* 1996

১৯৯৬ চনত

*(iv)* 1998

১৯৯৮ চনত

(Choose the correct option)

(শুদ্ধ বিকল্পটো বাছি উলিওৱা)





*(f)* In which year was the Narmada Water Disputes Tribunal constituted?

নৰ্মদা জল-বিবাদ ন্যায়াধিকৰণ কোন চনত গঠন কৰা হৈছিল ?

*(g)* What is the full form of AFSPA?

AFSPAৰ সম্পূৰ্ণ ৰূপটো কি ?

*(h)* Mention one ethnic minority group in India.

ভাৰতৰ এটা নৃগোষ্ঠীয় সংখ্যালঘু গোটৰ উল্লেখ কৰা ।

*(i)* Sunderlal Bahuguna was a leader of the Chipko Movement.

(Write Yes or No)

সুন্দৰলাল বহুগুণা চিপকো আন্দোলনৰ এজন নেতা আছিল ।

(হয় বা নহয় লিখা)

*(j)* Who are considered to be the indigenous people of India?

ভাৰতত কাক খিলঞ্জীয়া অধিবাসী হিচাপে গণ্য কৰা হয় ?

**2.** Answer the following questions : 2×5=10

তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া :

*(a)* Why are the Fundamental Duties important for a citizen of India? Give two reasons.

ভাৰতৰ নাগৰিক এজনৰ বাবে মৌলিক কৰ্তব্যসমূহ কিয় গুৰুত্বপূৰ্ণ ? দুটা কাৰণ দিয়া ।

*(b)* Write two functions of the National Commission for Minorities.

ৰাষ্ট্ৰীয় সংখ্যালঘু আয়োগৰ দুটা কাৰ্য লিখা।

*(c)* Write two provisions of the Convention on the Elimination of All Forms of Discrimination against Women, 1979.

নাৰীৰ বিৰুদ্ধে সকলো ধৰণৰ বৈষম্য দূৰীকৰণৰ সিদ্ধান্ত, ১৯৭৯ৰ দুটা ব্যৱস্থা লিখা।

*(d)* Suggest two measures for eradication of terrorism in North-East India.

উত্তৰ-পূব ভাৰতৰ সন্ত্ৰাসবাদ নিৰ্মূল কৰিবলৈ দুটা পৰামৰ্শ আগবঢ়োৱা।

*(e)* Mention two provisions which protect the rights of indigenous people of India.

ভাৰতৰ খিলঞ্জীয়া অধিবাসীৰ অধিকাৰ ৰক্ষাৰ বাবে থকা দুটা ব্যৱস্থা উল্লেখ কৰা।

**3.** Write short notes on any *four* of the following : 5×4=20

তলত দিয়াবোৰৰ যি কোনো চাৰিটাৰ ওপৰত চমু টোকা লিখা :

*(a)* National Commission for Scheduled Tribes

ৰাষ্ট্ৰীয় অনুসূচীত জনজাতি আয়োগ





*(b)* Narmada Bachao Movement

নৰ্মদা বচাও আন্দোলন

*(c)* The Convention on the Rights of the Child, 1989

শিশুৰ অধিকাৰৰ সিদ্ধান্ত, ১৯৮৯

*(d)* National Commission for Women

ৰাষ্ট্ৰীয় মহিলা আয়োগ

*(e)* Rights of Minorities in India

ভাৰতবৰ্ষত সংখ্যালঘুৰ অধিকাৰ

*(f)* Terrorist activities and violation of Human Rights in North-East India

সন্ত্ৰাসবাদী কাৰ্যকলাপ আৰু উত্তৰ-পূব ভাৰতত মানৱ অধিকাৰৰ লংঘন

**4.** *(a)* Discuss the development of Human Rights in ancient India. 10

প্ৰাচীন ভাৰতবৰ্ষত মানৱ অধিকাৰৰ বিকাশ সম্পৰ্কে আলোচনা কৰা।

*Or / অথবা*

Discuss the constitutional provisions for the protection of Human Rights of Indian citizens.

ভাৰতীয় নাগৰিকৰ মানৱ অধিকাৰ ৰক্ষাৰ বাবে থকা সাংবিধানিক ব্যৱস্থাসমূহ আলোচনা কৰা।

*(b)* Discuss the powers and functions of the National Human Rights Commission. 10

ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগৰ ক্ষমতা আৰু কাৰ্যসমূহ আলোচনা কৰা।

*Or / অথবা*

Explain the composition and functions of the National Commission for Scheduled Castes.

অনুসূচীত জাতিৰ ৰাষ্ট্ৰীয় আয়োগৰ গঠন আৰু কাৰ্যসমূহ ব্যাখ্যা কৰা।

*(c)* What does terrorism mean? Discuss the causes of terrorism in North-East India. 10

সন্ত্ৰাসবাদ মানে কি? উত্তৰ-পূব ভাৰতত সন্ত্ৰাসবাদৰ কাৰণসমূহ আলোচনা কৰা।

*Or / অথবা*

Discuss the Chipko Movement as an environmental rights protection movement in India.

চিপকো আন্দোলনক ভাৰতবৰ্ষত এটা পৰিবেশৰ অধিকাৰ সুৰক্ষাৰ আন্দোলন হিচাপে আলোচনা কৰা।

*(d)* Examine the constitutional and legal measures taken in India to protect the rights of women. 10

ভাৰতবৰ্ষত নাৰীৰ অধিকাৰ সুৰক্ষাৰ বাবে গ্ৰহণ কৰা সাংবিধানিক আৰু আইনগত ব্যৱস্থাসমূহ পৰীক্ষা কৰা।





*Or / অথবা*

Discuss the constitutional and statutory provisions which safeguard the rights of children in India.

ভাৰতবৰ্ষত শিশুৰ অধিকাৰসমূহ সুৰক্ষিত কৰাৰ বাবে থকা সাংবিধানিক আৰু বিধিসন্মত ব্যৱস্থাসমূহ আলোচনা কৰা।

★★★

## 2023

# POLITICAL SCIENCE

( Honours Elective )

Paper : POL–HE–6046

**( Select Constitutions—II )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

**1.** Answer the following as directed : 1×10=10

তলত দিয়াবোৰৰ নিৰ্দেশানুযায়ী উত্তৰ দিয়া :

*(a)* Who started the 'Cultural Revolution' in China?

চীনত কোনে 'সাংস্কৃতিক বিপ্লৱ' আৰম্ভ কৰিছিল ?

*(b)* Who elects the President of China?

চীনৰ ৰাষ্ট্ৰপতিক কোনে নিৰ্বাচন কৰে ?

(c) What is the term of the National Council of Swiss Federal Assembly?

চুইজাৰলেণ্ডৰ যুক্তৰাষ্ট্ৰীয় বিধানমণ্ডলৰ জাতীয় পৰিষদৰ কাৰ্যকাল কিমান ?

(d) Mention any one device of Direct Democracy of Switzerland.

চুইজাৰলেণ্ডৰ প্ৰত্যক্ষ গণতন্ত্ৰৰ যি কোনো এটা আহিলা উল্লেখ কৰা।

(e) Name the political party which is recognized by the Chinese Constitution.

চীনৰ সংবিধানে স্বীকৃতি দিয়া ৰাজনৈতিক দলটোৰ নাম লিখা।

(f) The Chairman of the Swiss Federal Council is elected for one year.

( Write True or False )

চুইজাৰলেণ্ডৰ যুক্তৰাষ্ট্ৰীয় পৰিষদৰ অধ্যক্ষক এবছৰৰ বাবে নিৰ্বাচিত কৰা হয়।

( শুদ্ধ নে অশুদ্ধ লিখা )

(g) What is the term of office of the Central Military Commission of China?

চীনৰ কেন্দ্ৰীয় সামৰিক আয়োগৰ কাৰ্যকাল কিমান ?





(h) Switzerland has one party / bi-party / multiparty system.

( Choose the correct option )

চুইজাৰলেণ্ডত একদলীয় / দ্বি-দলীয় / বহু-দলীয় ব্যৱস্থা আছে।

( শুদ্ধ বিকল্পটো বাছি উলিওৱা )

(i) The President of the Supreme People's Court of China is elected for ____ years.

( Fill in the blank )

চীনৰ উচ্চতম গণ-আদালতৰ সভাপতিক ____ বছৰৰ বাবে নিৰ্বাচিত কৰা হয়।

( খালী ঠাই পূৰণ কৰা )

(j) Who elects the members of the Council of States in Switzerland?

চুইজাৰলেণ্ডত ৰাজ্যিক পৰিষদৰ সদস্যসকলক কোনে নিৰ্বাচন কৰে ?

**2.** Answer the following questions : 2×5=10

তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা :

(a) Write any two Fundamental Rights of the citizens of China.

চীনৰ নাগৰিকৰ যি কোনো দুটা মৌলিক অধিকাৰ লিখা।

(b) Mention two qualifications for the President of China.

চীনৰ ৰাষ্ট্ৰপতি হ'বৰ বাবে দুটা অৰ্হতা উল্লেখ কৰা।

(c) Mention two causes of the increased power of the Centre in Switzerland.

চুইজাৰলেণ্ডত কেন্দ্ৰীয় চৰকাৰ শক্তিশালী হোৱাৰ দুটা কাৰণ উল্লেখ কৰা।

(d) Mention two features of the Federal Executive of Switzerland.

চুইজাৰলেণ্ডৰ যুক্তৰাষ্ট্ৰীয় কাৰ্যপালিকাৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(e) Write the names of two main political parties of Switzerland.

চুইজাৰলেণ্ডৰ দুটা প্ৰধান ৰাজনৈতিক দলৰ নাম লিখা।

**3.** Write short notes on any *four* of the following : 5×4=20

তলত দিয়াবোৰৰ যি কোনো চাৰিটাৰ চমু টোকা লিখা :

(a) Fundamental Duties of Chinese citizens

চীনৰ নাগৰিকৰ মৌলিক কৰ্তব্যসমূহ





(b) Characteristics of the political parties of Switzerland

চুইজাৰলেণ্ডৰ ৰাজনৈতিক দলৰ বৈশিষ্ট্যসমূহ

(c) Powers and functions of the President of the People's Republic of China

গণ-প্ৰজাতান্ত্ৰিক চীনৰ ৰাষ্ট্ৰপতিৰ ক্ষমতা আৰু কাৰ্যসমূহ

(d) Constitutional position of the Cantons

কেন্টনসমূহৰ সাংবিধানিক স্থান

(e) Central Military Commission of China

চীনৰ কেন্দ্ৰীয় সামৰিক আয়োগ

(f) Division of powers between Centre and the Units in Switzerland

চুইজাৰলেণ্ডৰ কেন্দ্ৰীয় চৰকাৰ আৰু অংগৰাজ্যসমূহৰ মাজৰ ক্ষমতা বিভাজন

**4.** (a) Write a note on the Cultural Revolution in China. 10

চীনৰ সাংস্কৃতিক বিপ্লৱৰ ওপৰত এটা টোকা লিখা।

*Or/* অথবা

Discuss the powers and functions of the National People's Congress of China.

চীনৰ জাতীয় গণ-কংগ্ৰেছৰ ক্ষমতা আৰু কাৰ্যাৱলী আলোচনা কৰা।

*(b)* Explain the main features of the Swiss Constitution. 10

চুইজাৰলেণ্ডৰ সংবিধানৰ মূল বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰা।

*Or/* অথবা

Discuss the powers and functions of the Federal Council of Switzerland.

চুইজাৰলেণ্ডৰ যুক্তৰাষ্ট্ৰীয় পৰিষদৰ ক্ষমতা আৰু কাৰ্যসমূহ আলোচনা কৰা।

*(c)* Describe the role of the Communist Party in the political system of China. 10

চীনৰ ৰাজনৈতিক ব্যৱস্থাত সাম্যবাদী দলৰ ভূমিকা বৰ্ণনা কৰা।

*Or/* অথবা

Discuss the main features of the judicial system of China.

চীনৰ ন্যায়িক ব্যৱস্থাৰ প্ৰধান বৈশিষ্ট্যসমূহ আলোচনা কৰা।





*(d)* What is meant by Direct Democracy? What are the causes for success of Direct Democracy in Switzerland? 10

প্ৰত্যক্ষ গণতন্ত্ৰই কি বুজায়? চুইজাৰলেণ্ডত প্ৰত্যক্ষ গণতন্ত্ৰৰ সফলতাৰ কাৰণসমূহ কি?

*Or/* অথবা

Discuss the composition and powers of the Federal Judiciary of Switzerland.

চুইজাৰলেণ্ডৰ যুক্তৰাষ্ট্ৰীয় ন্যায়পালিকাৰ গঠন আৰু ক্ষমতা আলোচনা কৰা।

★★★